২০ এপ্ৰিল,২০১৭

**আৰ বি আইয়ে বেংক অব গায়েনাৰ সৈতে "তদাৰকী সহযোগিতা আৰু তদাৰকী তথ্যৰ বিনিময়" সম্পৰ্কীয় বুজাপৰা চুক্তি (এম অ' ইউ)ত স্বাক্ষৰ কৰিছে**

ভাৰতীয় ৰিজাৰ্ভ বেংকে বেংক অব গায়েনাৰ সৈতে "তদাৰকী সহযোগিতা আৰু তদাৰকী তথ্যৰ বিনিময়" সম্পৰ্কীয় বুজাপৰা চুক্তি (এম অ' ইউ)ত সম্পাদন কৰিছে।

বেংক অব গায়েনাৰ হৈ গৱৰ্ণৰ ড০ গোবিন্দ এন. গাংগাই আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ হৈ গৱৰ্ণৰ ড০ উৰজিত্ আৰ. পেটেলে এম অ' ইউখনত স্বাক্ষৰ দান কৰে।

ৰিজাৰ্ভ বেংকে, অধিকতৰ সহযোগিতা আৰু তদাৰকী তথ্য বিনিময়ৰ প্ৰসাৰ ঘটোৱাৰ উদ্দেশ্যে কেইবাখনো দেশৰ তদাৰকসকলৰ সৈতে বুজাপৰাৰ চুক্তি, তদাৰকী সহযোগিতা পত্ৰ আৰু সহযোগিতা প্ৰবিৱৰণ সম্পাদন কৰিছে। এইখনকে ধৰি আৰ বি আয়ে ৪০খন এনে এম অ' ইউ, এখন তদাৰকী সহযোগিতা পত্ৰ আৰু এখন সহযোগিতা প্ৰবিৱৰণ স্বাক্ষৰ কৰিলে।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/২৮৪২**